**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 17**-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**

::::::::::::::::::::::::::::::::::::::::::

১। লোকসভাত কালি মাজনিশালৈ সংবিধানৰ ১৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬কলৈ আলোচনা হয়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ নীতি প্ৰণয়ন প্ৰক্ৰিয়াৰ সৈতে দেশৰ ৫০ শতাংশ জনসংখ্যাক জড়িত কৰাত গুৰুত্ব আৰোপ কৰিছে।

৩। চৰকাৰে মহিলাসকলক ৰাজনৈতিক ন্যায় প্ৰদানৰ হকে কাম কৰি আছে বুলি কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কালি মন্তব্য কৰে।

৪। ইজৰাইল আৰু লেবাননৰ মাজত কালি নিশাৰে পৰা ১০ দিনীয়া যুদ্ধ বিৰতি প্ৰযোজ্য হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা পাঞ্জাৱ কিংছে মুম্বাই ইণ্ডিয়ানছক সাত উইকেট পৰাস্ত কৰে।

০০০০

লোকসভাত কালি মাজনিশালৈ সংবিধানৰ ১৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬, কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়ক ২০২৬কলৈ আলোচনা হয়। এই বিধেয়ক তিনিখনৰ জৰিয়তে লোকসভা আৰু বিধানসভাত মহিলাৰ অংশগ্ৰহণ বৃদ্ধি কৰিব বিচৰা হৈছে। নাৰী শক্তি বন্দন অধীনিয়মৰ সৈতে জড়িত সংবিধানৰ ১০৬  নম্বৰ সংশোধনী বিধেয়কৰ মাধ্যমেৰে লোকসভা আৰু বিধানসভাৰ প্ৰায় এক তৃতীয়াংশ আসন মহিলাৰ বাবে সংৰক্ষণ কৰিব বিচৰা হৈছে। গণতান্ত্ৰিক ব্যৱস্থাত মহিলাৰ অধিক অংশগ্ৰহণ সুনিশ্চিত কৰাই বিধেয়কখনৰ মূল উদ্দেশ্যে। সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া সুচল কৰাৰ লগতে লোকসভা আৰু বিধানসভাত মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা ৰূপায়ণ কৰাৰ উদ্দেশ্যে এই বিধেয়ক তিনিখন যুগুতাই উলিওৱা হৈছে। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কালি উত্থাপন কৰা সংবিধানৰ ১৩১ নম্বৰ সংশোধনী বিধেয়কৰ জৰিয়তে লোকসভাৰ আসন বৰ্তমানৰ ৫৪৩ৰ পৰা ৮৫০ লৈ বৃদ্ধি কৰিব বিচৰা হৈছে। ইয়াৰে ভিতৰত ৮১৫ গৰাকী সদস্যক দেশৰ বিভিন্ন ৰাজ্য আৰু ৩৫ গৰাকীক কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা নিৰ্বাচিত কৰা হ'ব। ২০২৩ চনত গৃহীত নাৰী শক্তি বন্দন অধীনিয়মৰ অধীনত আইনখন প্ৰযোজ্য হোৱাৰ পাছৰ প্ৰথম লোকপিয়লৰ ভিত্তিত সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ পাছত মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হৈছে। সংবিধানৰ ১৩১ সংশোধনী বিধেয়ক ২০২৬ত পৰৱৰ্তী লোকপিয়ল আৰু সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব আৰু ইয়াৰ ফলত গণতান্ত্ৰিক প্ৰক্ৰিয়াত মহিলাৰ অংশগ্ৰহণ সীমিত হ'ব বুলি উল্লেখ কৰা হৈছে। সেয়েহে বিধেয়কখনৰ জৰিয়তে শেহতীয়া প্ৰকাশিত লোকপিয়ল অনুযায়ী সমষ্টি পুনৰ নিৰ্ধাৰণৰ জৰিয়তে মহিলাৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ ব্যৱস্থা কাৰ্যকৰী কৰিব বিচৰা হৈছে।

ইপিনে, আইন মন্ত্ৰী মেঘৱালে কালি লোকসভাত উত্থাপন কৰা সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ বিধেয়কৰ অধীনত সীমা পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া পৰিচালনা কৰাৰ বাবে সীমা পুনৰ নিৰ্ধাৰণ আয়োগ গঠনৰ প্ৰস্তাৱ দিয়া হৈছে। সীমা পুনৰ নিৰ্ধাৰণ আয়োগে লোকসভা আৰু বিধানসভা সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণ আৰু অনুসূচীত জাতি তথা অনুসূচীত জনজাতিৰ মহিলাসহ সকলো মহিলাৰ বাবে সংৰক্ষণ কৰিবলগীয়া আসন আৱণ্টন কৰিব পাৰিব।

একেদৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি লোকসভাত উত্থাপন কৰা কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৬ৰ জৰিয়তে ১৯৭৩ চনৰ কেন্দ্ৰীয় শাসিত অঞ্চল চৰকাৰ অধীনিয়ম, ১৯৯১ চনৰ দিল্লী ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ চৰকাৰ আৰু ২০১৯ চনৰ জম্মু-কাশ্মীৰ পুনৰ গঠন অধীনিয়মত সংশোধন কৰিব বিচৰা হৈছে। বিধেয়কখনত সীমা পুনৰ নিৰ্ধাৰণ আয়োগক সংসদীয় আৰু বিধানসভা সমষ্টিৰ সীমা পুনৰ নিৰ্ধাৰণৰ অধিকাৰ প্ৰদান কৰা হৈছে।

এই বিধেয়ক কেইখন সন্দৰ্ভত লোকসভাত হোৱা আলোচনাত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ নীতি প্ৰণয়ন প্ৰক্ৰিয়াৰ সৈতে দেশৰ ৫০ শতাংশ জনসংখ্যাক জড়িত কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে মহিলাসকলক দেশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে আৰু তেওঁলোকক নীতি প্ৰণয়ন প্ৰক্ৰিয়াৰ উচিত প্ৰতিনিধিত্ব প্ৰদান কৰাটো সময়ৰ আহ্বান হৈ পৰিছে।

শ্ৰীমোদীয়ে দেশৰ জনসাধাৰণ আৰু গণতন্ত্ৰৰ বাবে লাভদায়ক বিধেয়ককেইখনক লৈ ৰাজনৈতিক ৰহন সনাৰ পৰা বিৰত থাকিবলৈ বিৰোধী দলসমূহৰ প্ৰতি আহ্বান জনায়। তেওঁ কয়, যে বৰ্তমান যিসকলে এই বিধেয়কৰ বিৰোধিতা কৰিব, ভৱিষ্যতে তেওঁলোকে ইয়াৰ ফল ভোগ কৰিব লাগিব। শ্ৰীমোদীয়ে কয়, যে এই বিধেয়ককেইখনে আমাৰ দেশৰ গণতন্ত্ৰৰ দিশ নিৰ্ণয় আৰু ভৱিষ্যত গঢ়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তেওঁ কয়, যে দেশৰ উন্নয়ন কেৱল আন্তঃগাঁথনি, ৰে'লৱে বা অৰ্থনীতিতে সীমাবদ্ধ নহয়, বৰং এই প্ৰক্ৰিয়াত মহিলাৰ সম অংশগ্ৰহণো প্ৰয়োজনীয়। শ্ৰীমোদীয়ে কয়, যে চৰকাৰে নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত সবকা সাথ সবকা বিকাশ মনোভাৱেৰে কাম কৰি বিচাৰে। আইনখন ৰূপায়ণ কৰাৰ ক্ষেত্ৰত কোনো ৰাজ্যৰ সৈতে অন্যায় কৰা নহ'ব বুলি প্ৰধানমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে।

বিধায়ক কেইখন সন্দৰ্ভত হোৱা আলোচনাত হস্তক্ষেপ কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত দাক্ষিণাত্যৰ ৰাজ্যসমূহত লোকসভাৰ আসন হ্ৰাস পোৱাক লৈ বিৰোধী পক্ষৰ আশংকা খণ্ডন কৰে। তেওঁ কয়, যে লোকসভাৰ বৰ্তমানৰ ৫৪৩ খন আসনৰ ভিতৰত দাক্ষিণাত্যৰ ৰাজ্যসমূহৰ ১২৯ খন আসন আছে আৰু এই সংখ্যা মুঠ আসনৰ প্ৰায় ২৩ দশমিক ৭-৬ শতাংশ আৰু লোকসভাৰ আসন বৃদ্ধিৰ পাছত এই সংখ্যা ১৯৫ লৈ বাঢ়িব।

ইয়াৰ পূৰ্বে কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে কালি বিধেয়ককেইখন উত্থাপন কৰি কালিৰ দিনটোক ঐতিহাসিক আখ্যা দিয়ে। তেওঁ কয় যে চৰকাৰে মহিলাসকলক ৰাজনৈতিক ন্যায় প্ৰদানৰ হকে কাম কৰি আছে। তেওঁ লগতে কয় যে সংবিধানৰ ১৩১ নম্বৰ সংশোধনী বিধেয়ক ২০২৬ য়ে মহিলাৰ বাবে সমতা সুনিশ্চিত কৰিব। ড০ বি আৰ আম্বেদকাৰৰ উদ্ধৃতিৰে শ্ৰীমেঘৱালে কয় যে মহিলাৰ প্ৰগতিৰ মাজেৰে সমাজৰ প্ৰগতি পৰিস্ফুট হয়। মহিলাৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষনৰ এয়াই উপযুক্ত সময় বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমেঘৱালে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে মহিলাৰ আৰ্থ সামাজিক উন্নয়নৰ বাবে ভালেমান আঁচনি প্ৰৱৰ্তন কৰিছে। তেওঁ এই সন্দৰ্ভত মুদ্ৰা যোজনা, লাখপতি বাইদেউ আৰু সুকন্যা সমৃদ্ধি যোজনাৰ দৰে আঁচনিৰ উদাহৰণ দিয়ে। বিধেয়ককেইখন সন্দৰ্ভত বিৰোধী পক্ষৰ হৈ আলোচনাৰ পাতনি মেলি কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে কয় যে তেওঁৰ দল মহিলাৰ বাবে আসন সংৰক্ষণৰ পক্ষপাতি যদিও এই প্ৰক্ৰিয়া সৰল হ'ব লাগে আৰু ইয়াৰ সমষ্টি পুনৰ নিৰ্ধাৰণৰ সৈতে কোনোধৰণে জড়িত কৰিব নালাগে। লোকসভাত বৰ্তমানৰ ৫৪৩ খন আসনৰ ভিত্তিত আসন সংৰক্ষণৰ ব্যৱস্থা হ'ব লাগে বুলি তেওঁ দাবী জনায়। তেওঁ লগতে চৰকাৰে মহিলাৰ বাবে আসন

সংৰক্ষণৰ ক্ষেত্ৰত অযথা বিলম্ব ঘটাইছে। এই ব্যৱস্থা শীঘ্ৰে ৰূপায়ণ কৰিবলৈ চৰকাৰৰ প্ৰতি তেওঁ আহ্বান জনায়। শ্ৰীগগৈয়ে কয় যে কংগ্ৰেছে সদায় মহিলাৰ বাবে আসন সংৰক্ষণৰ সমৰ্থন কৰি আহিছে। তেওঁ কয় যে কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীয়ে মহিলাৰ বাবে আসন সংৰক্ষণৰ পোষকতা কৰি ইতিপূৰ্বে সদনত অনুৰূপ দাবী উত্থাপন কৰিছে।

আলোচনাত অংশগ্ৰহণ কৰি সমাজবাদী দলৰ সাংসদ অখিলেশ যাদৱে কয় যে তেওঁৰ দলে মহিলাৰ বাবে আসন সংৰক্ষণৰ সমৰ্থন কৰে। অৱশ্যে সাংসদগৰাকীয়ে দেশৰ বাবে গুৰুত্বপূৰ্ণ বিধেয়ককেইখন উত্থাপন কৰাক লৈ চৰকাৰক প্ৰশ্ন কৰে।

০০০০

ইজৰাইল আৰু লেবাননৰ মাজত ১০ দিনীয়া যুদ্ধ বিৰতি ঘোষণা হোৱাৰ পিছত বেৰুটত ফটকা আৰু গুলী ফুটুৱাই উদযাপন কৰা হয়। যোৱা নিশাৰে পৰা প্ৰযোজ্য হোৱা যুদ্ধ বিৰতিৰ ফলত দেশ দুখনৰ মাজত কূটনৈতিক আলোচনাৰ পথ প্ৰশস্ত হ'ব বুলি আশা কৰা হৈছে। আমেৰিকাৰ বিদেশ বিভাগে প্ৰকাশ কৰা অনুসৰি যুদ্ধ বিৰতিৰ ফলত লেবানন আৰু ইজৰাইলৰ মাজত স্থায়ী সুৰক্ষা আৰু শান্তিৰ বাবে আলোচনা সম্ভৱ হৈ উঠিব। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে দুয়োখন দেশৰ মাজত যুদ্ধ বিৰতিৰ কথা ঘোষণা কৰে। লেবাননৰ ৰাষ্ট্ৰপতি জোছেফ অ'ন আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী বেঞ্জমিন নেতান্যাহুৰ সৈতে হোৱা ইতিবাচক আলোচনাৰ পিছত যুদ্ধ বিৰতিৰ বিষয়ে ঘোষণা কৰা হৈছে বুলি ৰাষ্ট্ৰপতি ট্ৰাম্পে মন্তব্য কৰে। তেওঁ কয়, যে দুয়োগৰাকী নেতাই শান্তি স্থাপনৰ উদ্দেশ্যে যুদ্ধ বিৰতিৰ বাবে সন্মতি প্ৰকাশ কৰিছে। শ্ৰী ট্ৰাম্পে ১৯৮৩ চনৰ পিছত প্ৰথমবাৰৰ বাবে দুয়োখন দেশৰ নেতা দুগৰাকীক হোৱাইঠ হাউচৰ আলোচনাৰ বাবেও আমন্ত্ৰণ জনায়। শ্ৰী ট্ৰাম্পে যুদ্ধ বিৰতিৰ সময়ছোৱাত উপ-ৰাষ্ট্ৰপতি জে ভি ভেন্স, বিদেশ মন্ত্ৰী মাৰ্কো ৰুবিঅ' আৰু জইণ্ট ছিফ অব ষ্টাফৰ মুৰব্বীক স্থায়ী শান্তি স্থাপনৰ উদ্দেশ্যে দেশ দুখনৰ হৈ কাম কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে মুম্বাই ইণ্ডিয়ানছক সাত উইকেট পৰাস্ত কৰে। পাঞ্জাৱ কিংছে ১৯৬ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৬ অভাৰ আৰু ৩ টা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। পাঞ্জাবৰ হৈ প্ৰভছিমৰন সিঙে ৩৯ টা বলত ৮০ ৰান কৰে। ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ছয় উইকেটৰ বিনিময়ত ১৯৫ ৰান কৰে। মুম্বাইৰ হৈ কুইণ্টন ডি ক'কে ৬০ টা বলত ১১২ ৰান কৰে। পাঞ্জাবৰ হৈ অশদীপে তিনিটা উইকেট দখল কৰে। অশদীপক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ, কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ